# পাতনি

আধুনিক অসমীয়া শিশু সাহিত্যৰ মনোগ্ৰাহী ৰূপ দিছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই। সাধুকথাসমূহক অসমৰ পটভূমিত সুন্দৰকৈ সজাই তেওঁ লিখিত ৰূপ দিলে। পৰৱৰ্তী সময়ত বিভিন্ন লেখকসকলে শিশু সাহিত্য ৰচনা কৰিবলৈ ধৰে। শিশু কবিতা, সাধুকথা, গীত, নাটক, গল্প, উপন্যাস আৰু বিজ্ঞানভিত্তিক বিভিন্ন লেখাই অসমীয়া শিশু সাহিত্যৰ ভঁৰাল চহকী কৰিছে। শিশু উপন্যাস সাহিত্যও এই সাহিত্যৰে অন্যতম ৰূপ। অসমীয়া ভাষাত মৌলিক শিশু উপন্যাসৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। শিশুৰ মন, শিশুৰ মনস্তত্ত্বৰ প্ৰকাশ, শিশুৰ সমস্যাৱলী, শিশুৰ লগত ডাঙৰসকলৰ দ্বন্দ্ব, সংঘাত, সামাজিকীকৰণ আদি প্ৰতিফলিত কৰি বিভিন্ন শিশু উপন্যাস সৃষ্টি হৈছে।

নিৰ্বাচিত শিশু উপন্যাস সম্পৰ্কে অধ্যয়ন কৰিবলৈ লওঁতে দেখা গ'ল যে অসমীয়া শিশু উপন্যাসৰ সঠিক আলোচনা এতিয়াও হৈ উঠা নাই। নিৰ্দিষ্ট কেইজনমান শিশু সাহিত্যিকৰ যিকেইখন সংকলন প্ৰকাশ হৈ ওলাইছে, সেইবোৰৰ আলোচনা নিৰপেক্ষ বুলিব নোৱাৰি। তদুপৰি বিভিন্ন পুথিত একেজন লেখকৰ জন্ম-মৃত্যুৰ চন, তাৰিখ, কিতাপ প্ৰকাশৰ চনৰ মিল নথকাত বিমোৰত পৰিব লগা হৈছে। অন্য এক ক্ষেত্ৰত সমস্যা হ'ল যে, পুনঃ প্ৰকাশৰ অভাৱৰ বাবে শিশু উপন্যাস গ্ৰন্থৰ সংগ্ৰহত যথেষ্ট অসুবিধা হৈছিল। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্তক আধাৰ কৰি আৰু যতীন্দ্ৰ নাথ গোস্বামীৰ (সংক./সম্পা.) বৰ্ণনামূলক তালিকাৰ পুথিৰ চন তাৰিখক অনুসৰণ কৰি অধ্যয়নৰ কাম সম্পাদন কৰা হৈছে।

"নিৰ্বাচিত অসমীয়া শিশু উপন্যাস ঃ এক মনস্তাত্ত্বিক বিশ্লেষণ" শীৰ্ষক বিষয়টি গৱেষণাৰ প্ৰথম অৱস্থাত গৱেষণাৰ তত্ত্বাৱধায়ক প্ৰয়াত ড° প্ৰদীপ কুমাৰ হাজৰিকা ছাৰৰ দিগ্‌দৰ্শনেৰে বিষয়টো আগবঢ়াই নিয়া হৈছিল। পৰৱৰ্তী সময়ত আমাৰ গৱেষণাৰ গুৰুৰূপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী তথা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° কৰবী ডেকা

হাজৰিকা বাইদেউৰ নিৰন্তৰ আশাশুধীয়া প্ৰচেষ্টাই আমাৰ গৱেষণাৰ অধ্যয়ন সমাপণ কৰাত সহায় কৰে। নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত এনে এটা গভীৰ বিষয় পুংখানুপুংখ ৰূপত অধ্যয়ন কৰা সহজ নহয়। আমাৰ সীমিত জ্ঞানৰ পৰিসৰৰ দ্বাৰা অধ্যয়ন কৰা বিষয়টিয়ে পৰৱৰ্তী গৱেষকসকলক অনুপ্ৰাণিত কৰিব বুলি আশাবাদী।

পৰিশেষত আমাৰ অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা প্ৰাৰ্থী।

**দীপ্তি বৰুৱা**